**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং— ২৭১**

**উত্তৰ দানৰ তাৰিখ — ১৩/০৭/২০২৬**

**বিষয়: অপৰাধ নিয়ন্ত্ৰণৰ বাবে আৰক্ষীৰ জনবল বৃদ্ধি ।**

**শ্ৰী ধৰ্মেশ্বৰ ৰয়ঃ মাননীয় বিধায়ক**

**প্ৰশ্ন**

**মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) বজালী সমষ্টিত অপৰাধ নিয়ন্ত্ৰণৰ বাবে আৰক্ষীৰ জনবল বৃদ্ধি কৰাৰ কোনো পৰিকল্পনা আছেনে?

(খ) যান-জঁট আৰু বাট-পথ সুৰক্ষা নিশ্চিত কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(গ) বালাপাৰা আৰক্ষী চকী বজালী জিলাৰ অন্তৰ্গত যদিও বৰ্তমানো বৰপেটা আৰক্ষী অধীক্ষকৰ অধীনত আছে, গতিকে উক্ত আৰক্ষী চকীখন বজালী আৰক্ষী অধীক্ষকৰ অধীনলৈ অনাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

**উত্তৰ**

**মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিবঃ**

ক) বজালী সমষ্টিত অপৰাধ নিয়ন্ত্ৰণৰ বাবে আৰক্ষীৰ জনবল বৃদ্ধি কৰাৰ পৰিকল্পনা সদ্যহতে নাই যদিও বিভাগে প্ৰয়োজন সাপেক্ষে Rationalization প্ৰক্ৰিয়াৰ যোগেৰে পদ সৃষ্টি অথবা বিলুপ্তিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰে ।

(খ) বজালী জিলাত যান-বাহনৰ সুশৃংখল চলাচল নিশ্চিত কৰা আৰু পথ সুৰক্ষা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে তলত উল্লেখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে:

(১) যান-বাহন নিয়ন্ত্ৰণৰ বাবে মুখ্য সংযোগস্থল, বজাৰ এলেকা, বিদ্যালয় অঞ্চল আৰু যানজঁটৰ প্ৰৱণতা থকা অন্যান্য স্থানসমূহত নিয়মীয়াকৈ ট্ৰেফিক কৰ্মচাৰী মোতায়েন কৰা।

(২) মদ্যপান কৰি গাড়ী চলোৱা, অত্যাধিক বেগত গাড়ী চলোৱা, হেলমেট আৰু ছিটবেল্ট ব্যৱহাৰ নকৰা, গাড়ী চলোৱাৰ সময়ত মবাইল ফোন ব্যৱহাৰ কৰা আৰু যান বাহন আইন অনুসৰি অন্যান্য উলংঘনৰ বিৰুদ্ধে নিয়মীয়াকৈ ট্ৰেফিক আইন বলবৎকৰণ অভিযান চলোৱা হৈছে।

(৩) জিলা প্ৰশাসন আক সংশ্লিষ্ট অন্যান্য কৰ্তৃপক্ষৰ সহযোগত পথৰ বাধা-বিঘিনি, দখলদাৰী আৰু অননুমোদিত পথপাৰ্কিং আঁতৰোৱা হৈছে।

(৪) সুৰক্ষিতভাৱে গাড়ী চলোৱা আৰু পথ নিয়ম পালন কৰাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰী, চালক আৰু জনসাধাৰণৰ বাবে পথ সুৰক্ষা সজাগতা কাৰ্যসূচী আয়োজন কৰা হৈছে।

(৫) ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক ঘাইপথ আৰু অন্যান্য গুৰুত্বপূৰ্ণ পথসমূহত নিয়মীয়াকৈ টহলৰ ব্যৱস্থা চলাই যান-বাহনৰ অবাধ চলাচল নিশ্চিত কৰা আৰু যানজঁট তথা পথ দুৰ্ঘটনাৰ ক্ষেত্ৰত তাৎক্ষণিক সঁহাৰি প্ৰদান কৰা হৈছে।

(৬) দুৰ্ঘটনা-প্ৰৱণ স্থানসমূহ (ব্লেক স্পট) চিনাক্ত কৰি সংশ্লিষ্ট বিভাগসমূহৰ সহযোগত প্ৰয়োজনীয় প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(৭) পথ দুৰ্ঘটনাৰ সন্মুখিন হোৱা ব্যক্তিসকলক তাৎক্ষণিক সহায় আগবঢ়োৱা আৰু পথত আবদ্ধ হৈ থকা অথবা দুৰ্ঘটনাগ্ৰস্ত যানবাহনসমূহ দ্ৰুতভাৱে আঁতৰাই স্বাভাৱিক যান-বাহন চলাচল পুনৰ স্থাপন কৰি জৰুৰীকালীন সঁহাৰি ব্যৱস্থা অধিক শক্তিশালী কৰা হৈছে।

(৮) যান-বাহন ব্যৱস্থাপনা আৰু পথ সুৰক্ষাৰ সৈতে জড়িত বিষয়সমূহ পৰ্যালোচনা কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে জিলা প্ৰশাসন, পাঠশালা পৌৰসভা আৰু অন্যান্য বিভাগসমূহৰ সৈতে সমন্বয় বৈঠক অনুষ্ঠিত কৰা হৈছে।

(গ) সমষ্টি পুনঃনিৰ্ধাৰণ আৰু নতুনকৈ সমজিলা সৃষ্টিৰ পৰিপ্ৰেক্ষিতত আৰক্ষী থানা সমূহৰ সীমা সংশ্লিষ্ট বিধানসভা সমষ্টি সমূহৰ সৈতে সম-সীমাবদ্ধ (Co-terminus) কৰাৰ এক অনুশীলন প্ৰক্ৰিয়াৰ অংগ হিচাপে বালাপাৰা আৰক্ষী চকীক বজালী জিলাৰ আৰক্ষী অধীক্ষকৰ অধীনলৈ অনাৰ বিষয়টো পৰীক্ষা কৰি থকা হৈছে।

...............

*(উত্তৰৰ প্ৰতিলিপি 'https://cms.neva.gov.in' ত আপলোড কৰা হৈছে)*